# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)
১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১
ফোনঃ ০১১–২৩০৭০৫৭৭০, ফেক্সঃ ০১১–২৩০০৫৭৮৭

তাং–১৬ ফেব্ৰুৱাৰী ২০১৩

## প্ৰেছ বিজ্ঞপ্তি

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰী ৰাজনাথ সিঙে অসমৰ গোৱালপাৰা জিলাত অলপতে সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। উক্ত হিংসাত্মক ঘটনাত আৰক্ষীৰ গুলী চালনাত ১৩ জন লোক আৰু সন্দেহযুক্ত বাংলাদেশীৰ আক্ৰমণত ১৩ জন লোকৰ মৃত্যু হয়। উক্ত হিংসাত্মক ঘটনাত কেৱল ২৬ জন লোকে প্ৰাণ হেৰুৱাব লগা হোৱাই নহয় বৰং প্ৰায় ১৫ খন মান গাঁৱত বাসগৃহতো অগ্নিসংযোগ কৰা হৈছিল। ৰাজ্যখনৰ গোৱালপাৰা জিলাত সংঘটিত হোৱা উক্ত ঘটনাই ৰাজ্য চৰকাৰৰ নিষ্ক্ৰিয়তা উদঙাই দেখুৱাইছে। আইন–শৃংখলা ব্যৱস্থা জিলাসমূহত অন্ত পৰিছে বুলি ধৰি ল’ব পাৰি।

পৰিস্থিতিৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰী ৰাজনাথ সিং দেৱে পৰিস্থিতি বুজ লোৱাৰ কাৰণে চাৰি জন সাংসদৰ এটা দল অসমলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। এই দলটো দেওবাৰ, ১৭ ফেব্ৰুৱাৰী ২০১৩ তাৰিখে অসমত উপস্থিত হ’ব। এই দলটোৰ সাংসদ সদস্যসকলৰ নাম হ’ল–

১. শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী

২. শ্ৰী প্ৰকাশ জাভড়েকাৰ

৩. শ্ৰী তৰুণ বিজয়

৪. শ্ৰী ৰাজেন্দ্ৰ আগৰৱালা

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত